# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ১৭/০৮/২০১৬

---

## অসম জাতীয় বিদ্যালয়ত স্বাধীনতা দিৱস উদ্‌যাপন

নুনমাটি, গুৱাহাটী ১৬ আগষ্ট, ২০১৬ : কালি ১৫ আগষ্ট তাৰিখে নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়তো ৭০ তম্ স্বাধীনতা দিৱস, উদ্‌যাপন কৰা হয়। পুৱা ৭.৩০ বজাত বিদ্যালয়ৰ চৌহদত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মা, সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয়, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অভিভাৱক দীপাংকৰ মহন্তই স্বাধীনতা দিৱস আৰু বৰ্তমান পৰিস্থিতি সম্পৰ্কে তেওঁৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানৰ এই কাৰ্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ মুকলি মঞ্চত এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটি আৰম্ভ কৰা হয় দেশপ্ৰেমমূলক এটি সমবেত সংগীতেৰে। অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰে শিক্ষক চম্পক ঠাকুৰীয়াই। ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ-বীৰাংগনাসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি তেওঁৰ বক্তব্য আগবঢ়ায়। উপাধ্যক্ষ ধ্ৰুৱ শৰ্মায়ো স্বাধীনতা আন্দোলত ভাৰত তথা অসমৰ ভূমিকা আৰু ইয়াৰ উন্নতিত নতুন প্ৰজন্মৰ দায়বদ্ধতা সম্পৰ্কত মত আগবঢ়ায়। দশম শ্ৰেণীৰ শিক্ষাৰ্থী কংকন দাসেও স্বাধীনতা দিৱস সম্পৰ্কে তেওঁৰ মনৰ ভাৱ প্ৰকাশ কৰে। উল্লেখ্য যে স্বাধীনতা দিৱস উপলক্ষে বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আৰু ষষ্ঠ শ্ৰেণীৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত এখনি ৰচনা প্ৰতিযোগিতা কৰা হৈছিল। এই অনুষ্ঠানতে প্ৰতিযোগিতাত বিজয়ী হোৱা শিক্ষাৰ্থীসকলক পুৰস্কৃত কৰা হয়। দ্বাদশ কলা শাখাৰ শিক্ষাৰ্থী স্বপ্নীল শৰ্মাই এটি গীত, ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী নিশান্ত চৌধুৰীয়ে এটি কবিতা আবৃত্তি কৰে। তদুপৰি বিদ্যালয়ৰ শিক্ষয়িত্ৰী উপাসনা মহন্তৰ তত্বাৱধানত একাংশ শিক্ষাৰ্থীয়ে এটি দেশপ্ৰেমমূলক গীতত নৃত্য পৰিবেশন কৰে। আনহাতে শিক্ষক খনীন্দ্ৰ পাঠকৰ তত্বাৱধানত একাংশ শিক্ষাৰ্থীয়ে গিটাৰ বাদন কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অনুষ্ঠানৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী ৰাজৰ্ষি তালুকদাৰে। সমগ্ৰ অনুষ্ঠানটিৰ আহ্বায়িকাৰ দায়িত্বত থাকে শিক্ষয়িত্ৰী কবিতা বৰদলৈয়ে।

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়